**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট দেশৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ যেনে - উন্নয়ন, কৰ্ম সংস্থাপন সৃষ্টি, কল্যাণ, মূলধনী ব্যয় আৰু বিত্তীয় একত্ৰীকৰণৰ মাজত ভাৰসাম্য ৰক্ষা কৰি যুগুত কৰা হৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি ৰাজ্যসভাত প্ৰকাশ কৰে। ৰাজ্যসভাত আজি বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰত তেওঁ এই কথা উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ নীতিত বিশ্বাস ৰাখি আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে বাজেটখনে সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ নীতিত অটল আস্থা ৰখাকে প্ৰতিপন্ন কৰিছে। তেওঁ লগতে কৃষিখণ্ডত আবণ্টন হ্ৰাস পোৱা বুলি বিৰোধী দলে কৰা অভিযোগ খণ্ডন কৰে। তেওঁ কয় যে শিক্ষা, নিয়োগ আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত ১ লাখ ৪৮ হাজাৰ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। ইপিনে, দেশত জাতিৰ লোকপিয়লৰ দাবীৰে বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সদস্যসকলে বিষয়টো সদনত উত্থাপন কৰাৰ চেষ্টা চলায়। পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকলে সদনৰ মজিয়াত তেওঁলোকৰ দাবীৰ সমৰ্থনত শ্লʼগান দিবলৈ আৰম্ভ কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ জনায় যদিও তেওঁলোকে প্ৰতিবাদ অব্যাহত ৰাখে। এনে পৰিস্থিতিৰ মাজতেই অধ্যক্ষই প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে। তেওঁ কয় যে, পূৰ্ব পৰিকল্পিতভাৱে সদনৰ কাৰ্যসূচীত ব্যাঘাত জন্মোৱাটো উচিত নহয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদনত বিৰোধী পক্ষৰ ব্যৱহাৰৰ বাবে সমালোচনা কৰে। তেওঁ কংগ্ৰেছক সেনাবাহিনীৰ বিৰুদ্ধে মন্তব্য কৰি দেশক দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ কৰে। শ্ৰী ৰিজিজুৱে লগতে কংগ্ৰেছে দেশত হিংসাক উচতনি দিয়াৰ চেষ্টা কৰিছে বুলিও অভিযোগ উত্থাপন কৰে। হুলস্থূলীয়া পৰিস্থিতি বাহাল থকাৰ বাবে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

০০০০০০০০

দেশৰ চিকিৎসা মহাবিদ্যালয়সমূহত চলিত বৰ্ষৰ এম বি বি এছ্, বি ডি এছ্ আদি পাঠ্যক্ৰমত নামভৰ্তিৰ কাউঞ্চেলিঙৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া আগষ্ট মাহৰ প্ৰথম সপ্তাহত আৰম্ভ হʼব। মেডিকেল কাউঞ্চেলিং কমিটীয়ে এই কথা প্ৰকাশ কৰি লগতে কয় যে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে কাউঞ্চেলিং পৰ্ব অহা ১৪ আগষ্টত আৰম্ভ হʼব।

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি শ্ৰীনিবাসে, পঞ্জীয়ন আৰু কাউঞ্চেলিং সম্পৰ্কীয় সকলোধৰণৰ অগ্ৰগতিৰ বিষয়ে অৱগত হʼবলৈ শিক্ষাৰ্থীসকলক মেডিকেল কাউঞ্চেলিং কমিটীৰ ৱেবছাইটত দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে এই কাউঞ্চেলিঙৰ জৰিয়তে এম বি বি এছ্ পাঠ্যক্ৰমত দেশৰ পৰা ১ লাখ ১০ হাজাৰ আৰু বি ডি এছৰ প্ৰায় ২১ হাজাৰ আসনৰ লগতে আয়ুস মন্ত্ৰালয়ৰ অধীনৰ পাঠ্যক্ৰমতো নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হʼব। সূচী অনুসৰি অহা ১৪ আগষ্টৰ পৰা ২১ আগষ্টলৈ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত ২৩ আগষ্টত আসন আবণ্টনৰ ফলাফল ঘোষণা কৰা হʼব। আনহাতে, ৬ ছেপ্তেম্বৰৰ পৰা ১০ ছেপ্তেম্বৰলৈ দ্বিতীয় পৰ্যায়ৰ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত দ্বিতীয় পৰ্যায়ৰ আসন আবণ্টন ১১ আৰু ১২ ছেপ্তেম্বৰত আৰু তৃতীয় তথা অন্তিম পৰ্যায়ৰ আবণ্টন প্ৰক্ৰিয়া ১৩ ছেপ্তেম্বৰত সম্পূৰ্ণ হʼব।

একেদৰে, চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট পি জি অহা ১১ আগষ্টত অনুষ্ঠিত হʼব বুলিও ঘোষণা কৰা হৈছে। এই পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থীসকলে nbe.edu.in ৱেবছাইটৰ পৰা অহা ৮ আগষ্টত প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব বুলি পৰীক্ষাৰ দায়িত্বত থকা সংস্থা

National Board of Examinations in Medical Sciences, NBEMS ৰ পৰা প্ৰকাশ কৰা হৈছে। নীট পি জিৰ এই পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনসমূহ পূৰণ কৰা হ'ব।

০০০০০০০০

পেৰিছ্ অলিম্পিকৰ পঞ্চম দিনা আজি অসমৰ লাভলীনা বৰগোঁহাইয়ে বক্সিঙৰ মিডল ৱেট শিতানৰ ৭৫ কিলোগ্ৰাম শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত নৰৱেৰ ছুন্নীভা হফষ্টাডক পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক দখলেৰে অসম তথা দেশলৈ গৌৰৱ কঢ়িয়াই অনা লাভলীনাৰ এই ফলাফলে অনুৰাগীসকলৰ মাজত উৎসাহৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে পূৰ্বে ৬৯ কিলোগ্ৰাম শাখাত অংশগ্ৰহণ কৰা খেলুৱৈগৰাকী এইবেলি প্ৰথমবাৰৰ বাবে অলিম্পিকত ৭৫ কিলোগ্ৰাম শাখাত অৱতীৰ্ণ হৈছে।

ইপিনে, ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শুটাৰ আৰু শ্বাটলাৰসকলে নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হৈছে।

বেডমিণ্টনত পি ভি সিন্ধু আৰু লক্ষ্য সেনে ৰাউণ্ড অব্ ছিক্সটিনত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত পি ভি সিন্ধুৱে ইষ্টোনিয়াৰ কৃষ্টিন কিউবাক ২১-৫, ২১-১০ ত পৰাজিত কৰে। আনহাতে, পুৰুষৰ ছিংগলছত লক্ষ্য সেনে ইণ্ডোনেছিয়াৰ জনাতন কৃষ্টিক ২১-১৮, ২১-১২ত পৰাজিত কৰে। এইছ এছ প্ৰণয় ভিয়েটনামৰ ড্যুক ফেট লেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

শুটিঙৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিচন শিতানৰ যোগ্যতা নিৰূপণ খেলত স্বপ্নীল কৌছেলে ৫৯০ স্ক'ৰ অৰ্জন কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে, একেটা শিতানতে ঐশ্চৰী প্ৰতাপ সিং টোমৰে ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হয়।

একেদৰে মহিলাৰ ট্ৰেপ শুটিঙত শ্ৰেয়াশী সিং আৰু ৰাজেশ্বৰী কুমাৰীয়ে আজি যোগ্যতা নিৰূপণ পৰ্যায়ৰ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। আনহাতে, অনুজ আগৰৱালে অশ্বচালনা প্ৰশিক্ষণৰ ব্যক্তিগত শিতানত ভাগ ল'ব।

শ্ৰীজা অকুলাই টেবুল টেনিছৰ এখন খেলত ছিংগাপুৰৰ চিয়ান জেঙৰ সন্মুখীন হ'ব।

আৰ্চাৰীত তৰুণদীপ ৰায় আৰু দীপিকা কুমাৰীয়ে ক্ৰমে পুৰুষ আৰু মহিলাৰ এলিমিনেশ্যন ৰাউণ্ডত দেশক প্ৰতিনিধিত্ব কৰিব। ভাৰতে এইবাৰৰ অলিম্পিকত বৰ্তমানলৈকে দুটা পদক লাভ কৰিছে।

০০০০০০০

**সমাপ্ত**